# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-08-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

HEADLIES

বিশ্বনাথ জিলা প্ৰশাসনে আজি ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত উচ্ছেদ চলাইছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ প্ৰশাসনে কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰিছিল। উচ্ছেদ অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হৈছে। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা জ'নত ভাগ কৰা হৈছে। দুটা জ'নত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। প্ৰথম দিনাৰ উচ্ছেদ অভিযান আজি বিয়লি ৪ বজাত অন্ত কৰে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৰৎ কৰা হয়।

ooooo

নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এখন সংবাদমেল সম্বোধন কৰি শেহতীয়াকৈ উৰিয়ামঘাটৰ একাংশ উচ্ছেদিত লোকে নগাঁৱৰ বিভিন্ন স্থানত অৱস্থান কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত কেতবোৰ স্পষ্টীকৰণ দাঙি ধৰে। আয়ুক্তগৰাকীয়ে কয়, যে যি সকল লোকৰ মাটিৰ কোনো বৈধ নথি পত্ৰ নাই অথবা চৰকাৰী ভূমিত বাস কৰি আছে সেইসকল লোকক চৰকাৰে এদিন উচ্ছেদ কৰি চৰকাৰী ভূমি দখলমুক্ত কৰিবই। এচাম লোকে বহু ঠাইত মাটি থকাৰ পাছতো চৰকাৰী মাটি দেখা পালে দখল কৰাৰ চেষ্টা চলায়। জিলা আয়ুক্তগৰাকীয়ে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সেইসকল লোকক সকীয়াই দিয়ে। আয়ুক্তগৰাকীয়ে জিলাখনৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত বা নাম কৰ্তনেৰে সংশোধনৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। একেখন সংবাদমেলতে জিলা আয়ুক্তগৰাকীক কাৰ্যালয়ৰ এগৰাকী মহিলা কৰ্মচাৰীয়ে উৎকোচ লোৱা ঘটনা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কৰ্মচাৰীগৰাকীক তৎকালীনভাৱে বলৰৎ হোৱাকৈ নিলম্বন কৰাৰ লগতে আৰক্ষী থানাত এটা গোচৰ তৰা বুলিও জানিবলৈ দিয়ে।

ooooo

ডিমা হাচাওত এগৰাকী মহিলাক ধৰ্ষণ কৰি হত্যা কৰাৰ অভিযোগত তিনিজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱা লোককেইজন হ'ল লংকুৰ ষ্টেফেন হান্সে, নেপালৰ ৰবীন্দ্ৰ ৰানা আৰু বৰপেটা জিলাৰ আব্দুল

ৰহমান। আটাইকেইজনেই এল এন টি কনষ্ট্ৰাকচন কোম্পানীৰ শ্ৰমিক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ঘটনাটোৰ সৈতে আৰু লোক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। নামনি কপিলি জলবিদ্যুৎ প্ৰকল্পৰ কাষতে দোকান দি জীৱিকা নিৰ্বাহ কৰা এগৰাকী ৪৮ বছৰীয়া মহিলা ১৩ আগষ্টৰ বিয়লি নিৰুদ্দেশ হৈ পৰিছিল। ১৪ আগষ্টৰ নিশা লংকু চাকপুৰো প্ৰাথমিক বিদ্যালয়ৰ সমীপৰ জংঘলত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। মোবাইল ফোন ট্ৰেকিঙৰ জৰিয়তে উদ্ধাৰ হোৱা মহিলাগৰাকীৰ মৃতদেহত বহুকেইটা আঘাতৰ চিন আছিল। আৰক্ষীয়ে মহিলাগৰাকীক যৌন উৎপীড়ন চলাই হত্যা কৰাৰ সন্দেহক প্ৰকাশ কৰিছে। ঘটনাৰ ধাৰাবাহিক তদন্তৰ অন্তত আজি উমৰাংছ' আৰক্ষীয়ে তিনিটা অভিযুক্ত গ্ৰেপ্তাৰ কৰে। ঘটনাৰ পিছৰে পৰা দোষীক কঠোৰ শাস্তিৰ দাবীৰে স্থানীয় লোকে জলবিদ্যুৎ প্ৰকল্পটোৰ কাম ব্যাহত ৰাখি প্ৰতিবাদ সাব্যস্ত কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অঞ্চলটোত বৰ্তমান আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি টীয়ক বিধানসভা সমষ্টিৰ চাৰিগাঁও সূৰ্যোদয় সংঘ আৰু তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত জালুকনিবাৰীত বিশ্বজ্যোতি ৰংগমঞ্চৰ প্ৰাংগণত উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যসভাৰ সাংসদ পুঁজিৰ ধনেৰে চাৰিগাঁও সূৰ্যোদয় সংঘৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে তিতাবৰ সমষ্টিত মুঠ ৫০ লাখ ৫০ হাজাৰ টকাৰে ৭টাকৈ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়।

ooooo

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি নিজা বাসগৃহত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত বিভিন্ন ৰোগত আক্ৰান্ত লোকসকলক এককালীন অৰ্থ সাহায্যৰ চেক বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ৬৩ গৰাকী ব্যক্তিক এই সাহায্য প্ৰদান কৰে। এই সাহায্যই ৰোগীসকলক আৰ্থিকভাৱে সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

ooooo

ডিব্ৰুগড় জিলাৰ চাবুৱা দিনজয় চাহ বাগিছাত যোৱা কিছুদিন ধৰি হৈ থকা অচিন ৰোগৰ প্ৰাদুৰ্ভাব নিৰ্মূল কৰিবৰ বাবে ডিব্ৰুগড় জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ নেতৃত্বত বিভাগীয় এটি দল উপস্থিত হৈ পানীৰ নমুনা সংগ্ৰহ কৰে। ইয়াৰ উপৰি তাৎক্ষণিক সতৰ্কতামূলক ব্যৱস্থা হিচাপে পানীৰ উৎস সমূহ বিজাণু মুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। চাহ বাগিছা কৰ্তৃপক্ষৰ সহযোগিতাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দলে সজাগতা কাৰ্যসূচীও ৰূপায়ণ কৰে।

ooooo

ডিব্ৰুগড় চহৰৰ ইণ্ডিয়ান এয়াৰলাইনছ কাৰ্যালয়ৰ কাষৰ পথটি সাহিত্যিক নিৰুপমা ফুকনৰ নামেৰে নামকৰণ কৰা হয়। ডিব্ৰুগড়ৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান প্ৰহৰী ডিব্ৰুগড় নগৰ সৌন্দৰ্যবৰ্ধন আৰু ঐতিহ্য সংৰক্ষণ সমিতিৰ উদ্যোগত ডিব্ৰুগড় জিলা প্ৰশাসনৰ অনুমোদন ক্ৰমে এই নামকৰণ কৰা হয়। এই উপলক্ষে অনুষ্ঠিত এখন ৰাজহুৱা সভাত জিলা আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সমাপ্ত